(২)

**শিক্ষন সমল নং ঃ ৩**

## শ্ৰেণী-ষষ্ঠ
## বিষয়- সমাজ বিজ্ঞান

**প্ৰাসংগিক শিকন ঘাটি ঃ**

তলৰ কোনটো আধুনিক প্ৰযুক্তি নহয়?

ক) টেলিফোন

খ) খৰিৰ চৌকা

গ) কম্পিউটাৰ

ঘ) ম'বাইল ফোন

**শিকন ফলাফল ঃ**

দৈনন্দিন জীৱনত প্ৰযুক্তিৰ ব্যৱহাৰ আৰু প্ৰভাৱৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

**আনুষংগিক শিকন ফলাফল ঃ**

- প্ৰযুক্তিৰ অৰ্থ বুজি পাব।
- বৰ্তমান যুগৰ জীৱন-ধাৰণ প্ৰক্ৰিয়াক প্ৰযুক্তি তথা বিজ্ঞানে কি ধৰণে উন্নত আৰু দ্ৰুততৰ কৰি তুলিছে সেই বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

**অধ্যায় ঃ**

ষষ্ঠ শ্ৰেণীৰ সমাজ বিজ্ঞান পাঠ্যপুথিৰ সংগতিপূৰ্ণ পাঠ -১৯ “জীৱন ধাৰণৰ মান উন্নয়নত প্ৰযুক্তিৰ প্ৰভাৱ” আৰু পাঠ নং ২০ “কৃষি, উদ্যোগ আৰু সেৱা খণ্ডত প্ৰযুক্তিৰ প্ৰভাৱ।”

**এই অংশৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতাসমূহ ঃ**

- প্ৰযুক্তিৰ অৰ্থ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।
- আগৰ দিনৰ জীৱন-যাপন প্ৰণালী আৰু বৰ্তমান জীৱন প্ৰণালীৰ পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব।
- প্ৰযুক্তিয়ে আগবঢ়োৱা বিভিন্ন অৱদানৰ বিষয়ে অৱগত কৰাব পাৰিব।

**পাতনি ঃ**

মানুহে নোপোৱাটো পাবলৈ আৰু নেদেখাটো চাবলৈ যি হেঁপাহ বা ব্যগ্ৰতা, ইয়েই হৈছে আৱিষ্কাৰৰ মূল। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিয়েই মানুহৰ প্ৰধান অৱলম্বন যেন পৰিলক্ষিত হৈছে।

সূৰ্য্যৰ পোহৰৰ ওপৰত নিৰ্ভৰ কৰি সময় নিৰ্ণয় কৰা মানুহ ঘড়ীৰ কাঁটাৰ নিৰ্দেশত চলা হ'ল। শুই উঠি নিম ঠাৰিৰে দাঁত ঘঁহাৰ পৰিৱৰ্তে টুথপেষ্ট ব্যৱহাৰ কৰা হ'ল। পানী বিচাৰি নদী, পুখুৰীলৈ নগৈ ঘৰৰ ভিতৰতে টেপত হাত দিয়ে পানী পোৱা মানুহে খৰিৰ জুইৰ পৰিৱৰ্তে গেছ বা ইলেকট্ৰিক সামগ্ৰীৰ সহায়ত খাদ্য প্ৰস্তুত কৰিবলৈ ল'লে।

বাতৰি কাকত, ৰেডিঅ', টেলিভিচনৰ জৰিয়তে দেশ-বিদেশৰ বাতৰি ঘৰতে পাব পৰা যুগত মানুহে খোজকাঢ়ি বা জন্তুৰ পিঠিত এঠাইৰ পৰা আন ঠাইলৈ যোৱাৰ পৰিৱৰ্তে ইঞ্জিনৰ আৱিষ্কাৰৰ ফলত ৰে'লগাড়ী, মটৰগাড়ী বা এৰোপ্লেনৰ সহায়ত কম সময়ত এঠাইৰ পৰা আন ঠাইলৈ যাব পৰা হ'ল।

যোগাযোগৰ ক্ষেত্ৰখনত বিজ্ঞান আৰু প্ৰযুক্তিয়ে পৃথিৱীখনক হাতৰ মুঠিতে পাব পৰা কৰি তুলিলে। টেলিফোন, মোবাইল, কম্পিউটাৰ, ইণ্টাৰনেট আদিয়ে এই কাম অতি সহজ কৰি তুলিছে।

তাৰোপৰি কৃষি, উদ্যোগ আৰু অন্যান্য সেৱা খণ্ডসমূহ যেনে- শিক্ষা, চিকিৎসা, বিদ্যুৎ সেৱা আৰু অন্যান্য ক্ষেত্ৰসমূহত প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত অভূতপূৰ্ব পৰিৱৰ্তন হোৱা দেখা গৈছে। প্ৰাকৃতিক উপাদানসমূহকে বিভিন্ন কৌশল আৰু প্ৰযুক্তিৰ সহায়ত জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা কামত ব্যৱহাৰ কৰিবলৈ লোৱা দেখা গৈছে।

সেয়েহে আমি ক'ব পাৰো যে কোনো এটা কাম সহজে আৰু কম সময়ত বৈজ্ঞানিক আৱিষ্কাৰ আৰু কাৰিকৰী কৌশলেৰে সমাধান কৰাকে প্ৰযুক্তি বোলা হয় যিয়ে মানুহৰ জীৱন পূৰ্বৰ তুলনাত অধিক খৰতকীয়া আৰু আৰামদায়ক কৰি তুলিছে। কেৱল প্ৰযুক্তিৰ সুফল লাভ কৰিবলৈ হ'লে অৱদানসমূহ শুদ্ধ আৰু দক্ষতাৰে ব্যৱহাৰ কৰিব পাৰিব লাগিব।

## পৰামৰ্শমূলক শিক্ষণ শিকন প্ৰক্ৰিয়া

### কাৰ্য নং - ১ ঃ

শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক তিনিটা দলত ভাগ কৰি তলত দিয়া কাৰ্যকেইটাৰ সুবিধা আৰু অসুবিধাৰ ওপৰত লিখিবলৈ দিব।

ক) খৰিৰ চৌকাত ভাত ৰন্ধা আৰু গেছত ভাত ৰন্ধা।

খ) গৰমত হাত বিচনীৰ ব্যৱহাৰ আৰু বৈদ্যুতিক পাংখাৰ ব্যৱহাৰ।

গ) নিম গছৰ ঠাৰিৰে দাঁত মজা আৰু টুথ ব্ৰাছেৰে দাঁত মজা।

প্ৰতিটো দলে তেওঁলোকৰ দলীয় কাৰ্যসমূহ সমাপন কৰাৰ পাছত শ্ৰেণীকোঠাত উপস্থাপন কৰিব। প্ৰয়োজন সাপেক্ষে শিক্ষকে পৰিপুষ্টি দিব। এই কাৰ্যৰ আলমত শিক্ষকে দৈনন্দিন জীৱনত প্ৰযুক্তি ব্যৱহাৰ সম্পৰ্কে আলোকপাত কৰিব। প্ৰযুক্তিয়ে যে আমাৰ দৈনন্দিন জীৱন কিছু সহজ আৰু আৰামদায়ক কৰিছে সেই সম্পৰ্কে ধাৰণা দিব। ইয়াৰ উপৰি প্ৰযুক্তিনো কি এই সম্পৰ্কেও ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰিব।

### কাৰ্য নং - ২ ঃ

শিক্ষকে ছাত্ৰ-ছাত্ৰীক কেইটামান দলত ভাগ কৰি প্ৰত্যেক দলকে তিনি/চাৰিখনকৈ ছবি সংগ্ৰহ কৰি তলত দিয়া তালিকাখন পূৰণ কৰিবলৈ দিব।

দল-১ ঃ ক) জন্তুৱে টনা গাড়ীৰ ছবি, খ) মটৰ গাড়ীৰ ছবি, গ) এৰোপ্লেনৰ ছবি।

দল-২ ঃ ক) (পাৰ চৰাই) ৰজাদিনীয়া দূতৰ ছবি, খ) ডাক ঘৰৰ ছবি, গ) টেলিভিছনৰ ছবি।

দল-৩ ঃ ক) টেলিফোনৰ ছবি, খ) ম'বাইল ফোনৰ ছবি, গ) কম্পিউটাৰ (ইণ্টাৰনেট)ৰ ছবি।

দল-৪ ঃ ক) হালবোৱাৰ ছবি, খ) ট্ৰেক্টৰ বা পাৱাৰ টিলাৰে খেতি কৰা ছবি, গ) কৃষিত জলসিঞ্চনৰ ছবি।

দল-১ ঃ

| ছবি | আধুনিক প্ৰযুক্তি হয়নে? | কি কামত ব্যৱহাৰ হয়? | কামটোৰ বাবে প্ৰয়োজনীয় সময় (আনুমানিক) |
|---|---|---|---|
| ক) গৰু বা ঘোঁৰা গাড়ীৰ ছবি লগাব | | | |
| খ) মটৰ গাড়ী | | | |
| গ) এৰোপ্লেন | | | |

ঠিক সেইদৰে আন আন দলসমূহেও প্ৰ-পত্ৰখন পূৰণ কৰিব।

**কাৰ্য নং - ৩ ঃ** (ক্ষেত্ৰ ভ্ৰমণ)

শিক্ষকে বিদ্যালয়ৰ ওচৰতে থকা যিকোনো এটা কুটীৰ শিল্প, চাহপাত কাৰখানা অথবা চাহ বাগান আদিলৈ ছাত্ৰ-ছাত্ৰীসকলক তিনি/চাৰিটা দলত ভাগ কৰি ক্ষেত্ৰ ভ্ৰমণৰ বাবে লৈ যাব আৰু সেইবোৰ নিৰীক্ষণ কৰি তলত দিয়া দিশসমূহৰ ওপৰত আলোকপাত কৰি একোটাকৈ টোকা দলীয়ভাৱে প্ৰস্তুত কৰিবলৈ দিব।

ক) উদ্যোগটোৰ নাম আৰু এই উদ্যোগ বা কাৰখানাটো কোন চনত স্থাপিত হৈছে?

খ) এই উদ্যোগটোত কি উৎপাদন কৰা হয়?

গ) এই উদ্যোগটোত কিমান সংখ্যক মানুহ উৎপাদন কাৰ্যত জড়িত হৈ আছে?

ঘ) উৎপাদিত সামগ্ৰীসমূহ ক'ত বিক্ৰী কৰা হয়?

ঙ) উৎপাদন কাৰ্যত কেনে ধৰণৰ প্ৰযুক্তিৰ ব্যৱহাৰ হৈছে?

চ) উদ্যোগটোৰ পৰা অঞ্চলটো কেনেধৰণে লাভান্বিত হৈছে?

**মোখনী ঃ**

উল্লেখিত কাৰ্যসমূহৰ জৰিয়তে শিক্ষকে ছাত্ৰ-ছাত্ৰীক প্ৰযুক্তিৰ ব্যৱহাৰে মানৱ জীৱন কি দৰে উন্নত মানৰ আৰু আৰামদায়ক কৰি তুলিছে সেই সম্পৰ্কে ধাৰণা দিয়াত সক্ষম হ'ব। ইয়াৰ উপৰি, দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা আৰু বহুতো প্ৰযুক্তিগত বস্তু যেনে-এয়াৰ কুলাৰ, এয়াৰ কণ্ডিশ্যনাৰ (বতাহ শীতলীকৰণ যন্ত্ৰ), পানী গৰম কৰা যন্ত্ৰ (গীজাৰ), শীতল ভঁৰাল (ফ্ৰিজ), চিকিৎসা আৰু সেৱা খণ্ডত ব্যৱহৃত হোৱা বিভিন্ন প্ৰযুক্তিযুক্ত সামগ্ৰীৰ বিষয়েও সম্ভেদ দিব পাৰি। দৈনন্দিন জীৱনৰ উপৰিও কল কাৰখানা, উদ্যোগ আদিতো প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে কম সময়ত অধিক উৎপাদন কৰাৰ লগতে আৰ্থিক ভাৱেও মানুহ স্বাৱলম্বী হোৱাত সহায়ক হৈছে। এই উদ্যোগসমূহে অঞ্চলটোৰ নিবনুৱাসকলক সংস্থাপন দিয়াতো সহায় কৰিছে। মনত ৰাখিব লাগিব যে বিজ্ঞান আৰু প্ৰযুক্তিৰ অৱদান সমূহ উপযুক্ত প্ৰশিক্ষণ লৈ সঠিক ঠাইত মানুহৰ উপকাৰত অহাকৈ প্ৰয়োগ কৰাত গুৰুত্ব আৰোপ কৰিব লাগে। সেই বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰিব।

## আহিঁ প্ৰশ্ন

১) কুইজ —

ক) প্ৰথমে জুই ব্যৱহাৰ কেতিয়া হৈছিল?

খ) চকাৰ ব্যৱহাৰ প্ৰথমে ক'ত আৰম্ভ হৈছিল?

গ) বিদ্যুৎ কোনে আৱিষ্কাৰ কৰিছিল?

ঘ) বিজুলী চাকি কোনে আৱিষ্কাৰ কৰিছিল? (ইলেকট্ৰিক বাল্ব)

ঙ) ৰেডিঅ'ৰ অৱিষ্কাৰক কোন?

চ) টেলিফোনৰ আৱিষ্কাৰক কোন?

ছ) ভাপ ইঞ্জিনৰ আৱিষ্কাৰ কোনে কৰিছিল?

জ) ৰে'লৰে ইঞ্জিনৰ আৱিষ্কাৰক কোন আছিল?

ঝ) টেলিভিছন কোনে আৱিষ্কাৰ কৰিছিল?

ঞ) কম্পিউটাৰ কোনে আৱিষ্কাৰ কৰিছিল?

**উত্তৰ সমূহ ঃ**

ক) আনুমানিক ৪,০০,০০০ বছৰ আগতে প্ৰথম জুইৰ ব্যৱহাৰ হৈছিল।

খ) ৩৫০০ খৃঃ পূঃত মেচোপটেমিয়াত মাটিৰ পাত্ৰ তৈয়াৰ কৰিবলৈ চকাৰ ব্যৱহাৰ হৈছিল।

গ) বেঞ্জামিন ফ্ৰেংকলিন।

ঘ) থমাচ এডিচন, ১৮৭৯।

ঙ) মাৰ্কিন, ১৮৯০।

চ) আলেজেণ্ডাৰ গ্ৰাহামবেল, ১০ মাৰ্চ, ১৮৭৬।

ছ) জেমচ ৱাট ১৭৩৬-১৮১৯।

জ) জৰ্জ ষ্টিফেনচন, ১৮২৫।

ঝ) জন লজি বেয়াৰ্ড ১৯২৫।

ঞ) চাৰ্লচ বেবেজ ১৮৩৩-১৮৭১।

২) সৰু সৰু কাগজৰ টুকুৰাত দৈনন্দিন জীৱনত ব্যৱহৃত প্ৰযুক্তিযুক্ত সামগ্ৰীসমূহৰ নাম লিখি শিক্ষকে প্ৰত্যেক ছাত্ৰ-ছাত্ৰী সকলৰ মাজত যিকোনো এটাৰ বিষয়ে আকস্মিক বক্তৃতা অনুষ্ঠিত কৰিবলৈ দিব।

৩) ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগতভাৱে লিখিব।

ক) মানৱ জীৱনত প্ৰযুক্তিৰ প্ৰভাৱ।

খ) বিজ্ঞান আৰু প্ৰযুক্তিৰ অভাৱত আমি কি কি অসুবিধাৰ সন্মুখীন হ'লোহেঁতেন?

গ) প্ৰযুক্তিৰ সফল ৰূপায়ণৰ কাৰকসমূহ।

------------- ❑❑❑ --------------